**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ চতুৰ্থ বিষয় ঃ ভাষা-১ (অসমীয়া) প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ তুলনাত্মক শব্দ ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণকৈ ক'ব আৰু লিখিব পৰা।
- ⇨ বাক্যাংশ এটা শব্দত প্ৰকাশ কৰিব পৰাৰ লগতে সেই শব্দটোৰ অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰিব পৰা।
- ⇨ বাক্যত বিশেষ্য পদ চিনি পোৱা আৰু লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯) লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) মোৰ দেশ ভাল | - | পাঠ নং ১ |
| খ) মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল। | - | পাঠ নং ২ |
| গ) কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি সৃষ্টি ৰখা হৈছে।

২০১৭ চনৰ গুণোৎসৱৰ আৰু নাছৰ তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে চতুৰ্থ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাঠৰ অন্তৰ্গত ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান আহৰণ আৰু প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। ভাষা এটা শুদ্ধভাৱে আয়ত্ত কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান থকাটো নিত্যান্তই প্ৰয়োজনীয়। কিন্তু চতুৰ্থ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও দৈনন্দিন জীৱনত ব্যৱহৃত আৰু পাঠত থকা ব্যাকৰণৰ বিষয়ে, যেনে — 'তকৈ' (তুলনা কৰা) ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণকৈ ক'ব আৰু লিখিব নোৱাৰে।

এটা শব্দত প্ৰকাশ কৰি লিখিব নাজানে আৰু সেইবোৰ কথন বা লিখনত প্ৰয়োগ কৰিব নোৱাৰে, বাক্যত ব্যৱহাৰ হোৱা বিশেষ্য পদবোৰ চিনি ক'ব আৰু লিখিব নোৱাৰে। গতিকে এই ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতা আহৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীক উক্ত দিশৰ বিকাশত বিশেষ যত্ন লোৱা দৰকাৰ। এই ক্ষেত্ৰত আমাৰ শিক্ষকসকলৰ যথেষ্ট কৰণীয় আছে। পাঠ্যপুথিত উল্লেখ থকা অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজাববীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলক কিছুমান ক্ৰিয়া-কলাপ কৰাব পাৰোঁ যাতে তেওঁলোকৰ এই শিকন ঘাটি সমূহ দূৰ কৰিব পাৰি। আমি শিক্ষক হিচাপে শুদ্ধকৈ ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰী সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক ভাষাৰ চাৰিওটা কৌশল আয়ত্ত কৰাত সহায় কৰিব।
- ⇨ কেৱল তুলনামূলক বাক্য ক'ব আৰু লিখিব পৰাই নহয়, যিকোনো বিষয়বস্তু সুন্দৰকৈ উপস্থাপন কৰিবলৈ ছাত্ৰ-ছাত্ৰীক বাক্যৰ গাঁথনিৰ প্ৰতি মনোযোগ দিয়াটো অতিকৈ প্ৰয়োজনীয়।

➡ বাক্যাংশ এটা শব্দত প্ৰকাশ কৰিব পাৰিব আৰু এইবোৰ কথন, পঠন আৰু লিখনত সুন্দৰভাৱে ব্যৱহাৰ কৰিব পাৰিব।

➡ বাক্যত ব্যৱহাৰ হোৱা বিশেষ্য পদৰ ব্যৱহাৰৰ কৌশল আয়ত্ত কৰি লিখন আৰু পঠনত সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

➡ এই সমল সামগ্ৰীৰ জৰিয়তে ব্যাৱহাৰিক ব্যাকৰণ শ্ৰেণীকোঠাত সফলভাৱে শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয়, তাক জানিব পাৰিম। লগতে ওপৰত উল্লেখ কৰা শিকন ঘাটিসমূহ পূৰণৰ বাবে শ্ৰেণী কোঠাত নতুন কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

➡ ক্ৰিয়া-কলাপ আৰু অনুশীলনেৰে — 'তকৈ' (তুলনা কৰা) ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণ কৰাৰ লগতে নিজাকৈ তুলনামূলক বাক্য লিখিবলৈ শিকাব পাৰিম।

➡ বাক্যাংশটো এটা শব্দত প্ৰকাশ কৰাৰ লগতে সেইবোৰ বাক্যত সঠিক ৰূপত প্ৰয়োগ কৰিবলৈ শিকাব পাৰিম।

➡ বিশেষ্য পদৰ ধাৰণা স্পষ্ট কৰাৰ লগতে বাক্যত ব্যৱহাৰ হোৱা বিশেষ্য পদবোৰ চিনাক্ত কৰি লিখিবলৈ দিব পাৰিম।

➡ ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিব পাৰিম।

➡ অভ্যাস অনুশীলনৰ যোগেদি শিকন কাৰ্যৰ স্ব-মূল্যায়ন কৰিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

শিকনৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন, ক্ৰিয়া-কলাপ, অনুশীলন আদিৰ ব্যৱস্থা কৰা হৈছে।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) '—তকৈ' (তুলনা কৰা) ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণ কৰিব পৰা। | পাঠ্যপুথিঃ - অংকুৰণ<br>'—তকৈ' ব্যৱহাৰ কৰি গঠন কৰা বাক্যৰ তালিকা। | ক্ৰিয়া-কলাপ | ১) তলৰ আঁচটনা ঠাইত '—তকৈ' ব্যৱহাৰ কৰি লিখা আৰু পঢ়া।<br>➡ হৰি শ্ৰেণীটোৰ আটাই.............ওখ ল'ৰা।<br>➡ মাজুলী পৃথিৱীৰ ভিতৰত আটাই.............ডাঙৰ নদী-দ্বীপ।<br>➡ নীল নদী পৃথিৱীৰ ভিতৰত আটাইতকৈ .............দীঘল নদী।<br>➡ গংগা ভাৰতৰ নদীবোৰৰ ভিতৰত সকলো...........দীঘল। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ২) তুলনামূলক বাক্য লিখিব পৰা। | ⇨ বোৰ্ড | ক্ৰিয়া-কলাপ | ১) তলত দিয়া জটিল বাক্যবোৰ তুলনামূলক বাক্যলৈ পৰিৱৰ্তন কৰা।<br>⇨ হৰেণ ডাঙৰ , ৰবি সৰু।<br>⇨ চাদৰ খন দীঘল, গামোচাখন চুটি।<br>⇨ সীতা শকত, ৰীতা ক্ষীণ।<br>⇨ তামোল জোপা ওখ, নাৰিকল জোপা চাপৰ। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ৩) বাক্যাংশটো এটা শব্দত প্ৰকাশ কৰি বাক্য ৰচনা কৰিব পৰা। | ⇨ পাঠ্যপুথি অংকুৰণ<br>⇨ বোৰ্ড<br>⇨ চক<br>⇨ বাক্যাংশৰ লগত খাপখোৱা শব্দৰ তালিকা | ক্ৰিয়া-কলাপ | ১) তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।<br>**'ক' অংশ** — **'খ' অংশ**<br>ঘাঁহেৰে ভৰি থকা ঠাই — শাকনি<br>চিৰদিন নমস্কাৰ কৰিবলগীয়া — বাঁহনি<br>শাকেৰে ভৰি থকা ঠাই — নগৰীয়া<br>নগৰত বাস কৰা লোক — ঘাঁহনি<br>বাঁহ গছেৰে ভৰি থকা ঠাই — চিৰনমস্য<br><br>২)তলত দিয়া শব্দবোৰৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটা বাক্য সাজা।<br>ধাননি, বননি, চিৰস্মৰণীয় | |
| ৪) বিশেষ্য পদৰ বিষয়ে জানিব পৰা। | ⇨ পাঠ্যপুথি-অংকুৰণ<br>⇨ বোৰ্ড<br>⇨ চক<br>⇨ বিশেষ্য পদযুক্ত বাক্যৰ তালিকা। | ক্ৰিয়া-কলাপ | ১) বিশেষ্য পদৰ পাঁচটা উদাহৰণ দিয়া।<br>২) তলত দিয়া বাক্যবোৰৰ পৰা বিশেষ্য পদবোৰ বাছি উলিওৱা।<br>⇨ বিষ্ণুপ্ৰসাদ ৰাভা এজন সৃষ্টিশীল, প্ৰতিভাসম্পন্ন আৰু তীক্ষ্ণ বুদ্ধিৰ ব্যক্তি আছিল।<br>⇨ বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' বুলিও জনা যায়।<br>⇨ 'বিলতে হালিছে ধুনীয়া পদুমী'............ | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

প্ৰদীপ বৰুৱা ডিব্ৰুগড়ৰ প্ৰাথমিক বিদ্যালয় এখনৰ শিক্ষক । তেখেতে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক তুলনামূলক বাক্যৰ ধাৰণা দিবলৈ তলত দিয়া ধৰণৰ কিছুমান সঁজুলি প্ৰস্তুত কৰি লৈছিল।

⇨ তুলনামূলক বাক্যৰ এখন তালিকা

⇨ পাঠ্যপুথি আৰু পাঠ বহিৰ্ভূত কিছুমান লেখা (যিবোৰত তুলনামূলক বাক্য ব্যৱহৃত হৈছে)

বৰুৱা চাৰে শ্ৰেণীত কেনেদৰে পাঠদান কৰিলে তাৰ বৰ্ণনা তেওঁৰ নিজৰ মুখৰ পৰাই শুনো আহক।

মই যেতিয়া চতুৰ্থ শ্ৰেণীত ব্যাৱহাৰিক ব্যাকৰণ শিকাবলৈ গৈছিলোঁ, বিশেষকৈ তুলনামূলক বাক্যৰ বিষয়ে আলোচনা কৰিবলৈ গৈ প্ৰথমে মই তলত দিয়া ধৰণৰ কিছুমান বাক্য বোৰ্ডত লিখি দিছিলোঁ।

যেনে —

⇨ সীতা ৰীতাতকৈ ধুনীয়া।

⇨ যদু ৰহিমতকৈ ডাঙৰ।

⇨ ৰমেণ ৰজততকৈ শকত।

⇨ ব্ৰহ্মপুত্ৰ অসমৰ আটাইতকৈ দীঘল নদী।

ইয়াৰ পাছত মই প্ৰতিটো বাক্য শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে ছাত্ৰ-ছাত্ৰীসকলৰ আগত পঢ়ি দিয়াৰ অন্তত প্ৰতিটো বাক্যত '—তকৈ' যোগ কিয় দিয়া হৈছে আৰু ইয়াৰ ফলত বাক্যটোৱে কি অৰ্থ প্ৰকাশ কৰিছে, সেই সম্পৰ্কে তেওঁলোকক ভালদৰে বুজাই দিছিলোঁ।

এইবাৰ মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বোৰ্ডত লিখা যিকোনো এটা বাক্য পঢ়িবলৈ দিয়াৰ লগতে তেনেধৰণৰ একোটা বাক্য সাজিবলৈ দিছিলোঁ। মই লক্ষ্য কৰিছিলোঁ যে নিৰ্দিষ্ট কেইজনমান ছাত্ৰ-ছাত্ৰীয়েহে বাক্যটো পঢ়ি তেনেধৰণৰ বাক্য সাজিব পাৰিছিল। মই ছাত্ৰ-ছাত্ৰীসকলৰ তিনিজনীয়া একোটাকৈ দল গঠন কৰিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে বাক্য সাজিব পাৰিছিল, তেওঁলোকৰ একোজনক প্ৰতিটো দলৰে দলপতি পাতি দিছিলোঁ।

ইয়াৰ পাছত মই প্ৰতিটো দলকে তেনেধৰণৰ তিনিটাকৈ তুলনামূলক বাক্য গঠন কৰিবলৈ দিছিলোঁ। দলপতি কেইজনক নিজৰ নিজৰ দলক বাক্য গঠন কৰাত সহায় কৰিবলৈ কোৱাৰ লগতে মই সকলোকে নিৰীক্ষণ কৰিছিলোঁ আৰু বাক্যবোৰ শুদ্ধকৈ লিখিবলৈ উৎসাহিত কৰিছিলোঁ। যদি ভুল কৰে, শুধৰাই দিছিলোঁ আৰু পুনৰ শুদ্ধকৈ লিখিবলৈ প্ৰেৰণা যোগাইছিলোঁ।

ইয়াৰ পাছত মই প্ৰতিটো দলকে পাঠ বহিৰ্ভূত দফাৰ একোখনকৈ কাৰ্ড দিছিলোঁ আৰু তাত থকা —'তকৈ' যোগ কৰি গঠন হোৱা শব্দবোৰ বাছি উলিয়াই তলত আঁচ টানি বহীত লিখিবলৈ দিছিলোঁ। সকলোৱে কাৰ্যটো কৰাৰ অন্তত মই কাৰ্ডসমূহ সালসলনি কৰি প্ৰতিটো দলকে শুদ্ধাশুদ্ধ বিচাৰ কৰিবলৈ দিছিলোঁ। শেষত মই প্ৰতিজন ছাত্ৰকে গৃহকৰ্ম হিচাপে ৫ টা তুলনামূলক বাক্য লিখি আনিবলৈ দিছিলোঁ।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ শ্ৰেণীকোঠাত দল গঠন কৰি শিকন কাৰ্যকলাপত নিয়োগ কৰা বাবে বৰুৱা ছাৰৰ কি সুবিধা হৈছিল?

⇨ ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছিলনে?

⇨ তেওঁলোকৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ আছিল?

⇨ সকলো ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপটোত অংশগ্ৰহণ কৰিছিল নে?

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ উক্ত ক্ৰিয়া-কলাপৰ সহায় ল'ব পাৰোঁ নে?

⇨ আমি নিজে কিবা নতুন ক্ৰিয়া-কলাপ কৰাব নোৱাৰোঁ নে?

**ক্ৰিয়া-কলাপ - ১**

ছাত্ৰ-ছাত্ৰীসকলক বাক্যাংশ কেনেকৈ এটা শব্দত প্ৰকাশ কৰিব পাৰি, — এই বিষয়ত ধাৰণা জন্মাবলৈ তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ সংগ্ৰহ কৰি ল'ব লাগিব।

⇨ পাঠ্যপুথি

⇨ বাক্যাংশৰ কাৰ্ড

⇨ ক'লাফলক

⇨ চক

প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক তিনি-চাৰিজনীয়াকৈ বিভিন্ন দলত ভাগ কৰি ল'ব। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি বোৰ্ডত কিছুমান বাক্যাংশ লিখি দিব। যেনে —

⇨ ধান খেতিৰে জুৰি থকা ঠাই।

⇨ ঘাঁহেৰে ভৰি থকা ঠাই।

⇨ শাকেৰে ভৰি থকা ঠাই।

ইয়াৰ পাছত প্ৰতিটো বাক্যাংশ এটা শব্দত প্ৰকাশ কৰিলে কি হ'ব ভালদৰে বুজাই দিয়াৰ লগতে নিজ নিজ বহীত লিখি ল'বলৈ দিব। এইবাৰ শিক্ষকে লগত লৈ যোৱা কেৱল বাক্যাংশৰ তালিকাখন ছাত্ৰ-ছাত্ৰীৰ আগত বেৰত আৰি দিব। প্ৰথমতে শিক্ষকে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়ি দিব আৰু প্ৰতিটো দলকে এটা বাক্যাংশৰ লগত খাপখোৱা তিনিটা শব্দ লিখিবলৈ দিব। দ্বিতীয় দলেও প্ৰথম দলে নিলিখা তিনিটা শব্দ লিখিব। তেনেদৰে তৃতীয় দলেও লিখিব। এনেদৰে শ্ৰেণী কক্ষৰ সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰি।

বাক্যাংশবোৰ বুজি পাইছেনে নাই, ইয়াৰ লগত খাপখোৱা শব্দ পঠন কৰিব পাৰিছেনে নাই আৰু এইবোৰ বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিছেনে নাই তাৰ পৰীক্ষা কৰি চাবৰ বাবে তলৰ ক্ৰিয়া-কলাপটো কৰাব পাৰি।

বাক্যাংশ লিখা চাৰ্ট পেপাৰ এখন বেৰত আৰি দিব আৰু সেই বাক্যাংশৰ লগত খাপ খোৱা শব্দৰ কাৰ্ডসমূহ টেবুলৰ ওপৰত থ'ব। শ্ৰেণীকক্ষৰ যিকোনো এজন ছাত্ৰক মাতি সেই বাক্যাংশটোৰ লগত খাপ খোৱা শব্দ কাৰ্ডখন বাছি উলিয়াই বাক্যাংশৰ বিপৰীতে আঠা লগাই দিবলৈ দিব আৰু সেই নিৰ্দিষ্ট শব্দটোৰে অৰ্থ প্ৰকাশ হোৱাকৈ মৌখিক আৰু লিখিত বাক্য সাজিবলৈ দিব। এনেদৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক জড়িত কৰাব পাৰি। এই ক্ৰিয়া-কলাপটো সকলো ছাত্ৰ-ছাত্ৰীকে শুদ্ধ উত্তৰ নোপোৱালৈকে কৰিবলৈ দিব পাৰি।

**ক্ৰিয়া-কলাপ - ২**

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কৰোৱাৰ আগতে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

⇨ বিশেষ্য পদ যুক্ত কাৰ্ড।

⇨ বিশেষ্য পদ যুক্ত বাক্যৰ তালিকা।

⇨ পাঠ্যপুথি আৰু পাঠ বহিৰ্ভূত দফাৰ টুকুৰা।

প্ৰথমে শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক তিনিজনীয়াকৈ একোটা দলত ভাগ কৰি প্ৰতিটো দলকে তলতদিয়া ধৰণৰ বিশেষ্য পদ থকা একোখনকৈ কাৰ্ড দিব। 'ক' দলক দিয়া কাৰ্ডখনত মানুহৰ নাম; যেনে — ৰমেণ, নবীন, পুলক, ৰীণা — এনেদৰে লিখা থাকিব। 'খ' দলৰ কাৰ্ডখনত ঠাইৰ নাম লিখা থাকিব, 'গ' দলৰ কাৰ্ড

খনত বিভিন্ন ভাষাৰ নাম লিখা থাকিব, 'ঘ' দলৰ কাৰ্ড খনত জীৱ-জন্তুৰ নাম, 'ঙ' দলৰ কাৰ্ডত বিভিন্ন বাৰৰ নাম লিখা থাকিব। এনেদৰে প্ৰত্যেক দলকে একোখনকৈ কাৰ্ড দিয়াৰ অন্তত প্ৰতিটো দলকে কাৰ্ডত থকা কথাখিনি পঢ়িবলৈ দিব আৰু শিক্ষকে বোৰ্ডত লিখি যাব; লগতে ছাত্ৰ-ছাত্ৰীসকলকো নিজৰ বহীত লিখি ল'বলৈ নিৰ্দেশ দিব। প্ৰয়োজন সাপেক্ষে তেওঁ ছাত্ৰ-ছাত্ৰীসকলকো এনেধৰণৰ উদাহৰণৰ আঁত ধৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বিশেষ্য পদৰ সংজ্ঞা বহলাই বুজাই দিব।

ইয়াৰ পাছত তেওঁ প্ৰতিটো দলকে পাঠ নং ৩ 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা' পাঠটিৰ প্ৰথম দুটা দফাত থকা বিশেষ্য পদবোৰ বাছি উলিয়াই নিজৰ নিজৰ বহীত লিখিবলৈ দি প্ৰতিটো দলে লিখাৰ অন্তত শিক্ষকে বহীবোৰ নিৰীক্ষণ কৰি ভুল কৰিলে শুধৰাই দিব আৰু ভালদৰে বুজাই দিব।

এনেদৰে এই ক্ৰিয়া-কলাপটো পাঠ বহিৰ্ভূত লিখাৰ জৰিয়তেও কৰাব পাৰি। ফলত ছাত্ৰ-ছাত্ৰীয়ে বিশেষ্য পদৰ ধাৰণা লাভ কৰিব আৰু বাক্যত বিশেষ্য পদ চিনি পাই বাছি উলিয়াব আৰু লিখিব পাৰিব।

***বিঃদ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয়বোৰ স্পষ্ট হৈছে।

⇨ তুলনামূলক বাক্য ক'ব আৰু লিখিব পাৰিছে।

⇨ বাক্যাংশৰ লগত খাপ খোৱা শব্দ গঠন কৰিব পাৰিছে আৰু বাক্যত প্ৰয়োগ কৰিব পাৰিছে।

⇨ বিশেষ্যপদৰ ধাৰণা স্পষ্ট হৈছে।

⇨ বিশেষ্য পদবোৰ পাঠৰ পৰা বাছি উলিয়াবলৈ সক্ষম হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

তলত আঁচ টনা ঠাইত ' —তকৈ' ব্যৱহাৰ কৰি লিখা আৰু পঢ়া।

⇨ হৰি শ্ৰেণীটোত আটাই...............ওখ ল'ৰা।

⇨ মাজুলী পৃথিৱীৰ ভিতৰত আটাই..............ডাঙৰ নদী দ্বীপ।

⇨ নীল নদী পৃথিৱীৰ ভিতৰত আটাই..............দীঘল নদী।

⇨ গংগা ভাৰতৰ নদীবোৰৰ ভিতৰত সকলো...........দীঘল।

⇨ তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| ঘাঁহেৰে ভৰি থকা ঠাই | শাকনি |
| চিৰদিন নমস্কাৰ কৰিবলগীয়া | বাঁহনি |
| শাকেৰে ভৰি থকা ঠাই | নগৰীয়া |
| নগৰত বাস কৰা লোক | ঘাঁহনি |
| বাঁহ গছেৰে ভৰি থকা ঠাই | চিৰনমস্য |

**প্ৰশ্ন ঃ** বিশেষ্য পদবোৰ বাছি উলিওৱা —

ৰমেণ
এজন
ভাল
ল'ৰা

এইখন
তোমাৰ
বিদ্যালয়

আমি
কিতাপ
বহী
পৰিষ্কাৰকৈ
ৰাখিব
লাগে

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

তলত দিয়া বাক্যকেইটাৰে তুলনামূলক বাক্য গঠন কৰা।

- ➩ চাদৰখন দীঘল , গামোচাখন চুটি।
- ➩ সীতা শকত , ৰীতা ক্ষীণ।
- ➩ তামোলজোপা ওখ , নাৰিকলজোপা চাপৰ।

**প্ৰশ্ন ঃ** তলত দিয়া শব্দবোৰৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটা বাক্য সাজা।

ধাননি, বননি, চিৰস্মৰণীয়।

**প্ৰশ্ন ঃ** তলত দিয়া বাক্যবোৰৰ পৰা বিশেষ্য পদবোৰ বাছি উলিওৱা।

- ➩ বিষ্ণুপ্ৰসাদ ৰাভা এজন সৃষ্টিশীল, প্ৰতিভাসম্পন্ন আৰু তীক্ষ্ণ বুদ্ধিৰ ব্যক্তি আছিল।
- ➩ বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' বুলিও জনা যায়।
- ➩ 'বিলতে হালিছে ধুনীয়া পদুমী'................গীতটিৰ ৰচক বিষ্ণুপ্ৰসাদ ৰাভা।

**প্ৰসঙ্গ পুথি ঃ**

- ➩ পাঠ্যপুথি — অংকুৰণ।
- ➩ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি (হলিৰাম দাস)।
- ➩ অসমীয়া ব্যাকৰণ জ্যোতি — ভগৱান মৰল।
- ➩ চন্দ্ৰকান্ত অভিধান।

******